**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-09-2026
**Time :** 9-25 PM

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰখ্যাত শিক্ষাবিদ, লেখক, দাৰ্শনিক তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জয়ন্তী উপলক্ষে দেশজুৰি বিভিন্ন কাৰ্যসূচীৰে আজি শিক্ষক দিৱস উদযাপন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শিক্ষক দিৱস উপলক্ষে দেশৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক শুভেচ্ছা জনায়। শিক্ষক দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজি নতুন দিল্লীত ২৭ খন ৰাজ্য, সাতটা কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ছটা কেন্দ্ৰীয় চৰকাৰৰ সংগঠনৰ মুঠ ৮২ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় শিক্ষক বঁটা প্ৰদান কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰববী অধ্যাপক ডo অংকুৰণ দত্ত আৰু যোৰহাট উত্তৰ পশ্চিম শিক্ষাখণ্ডৰ অন্তৰ্গত আদৰ্শ ট্ৰাইবেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰাজেশ বৰদলৈক ৰাষ্ট্ৰীয় শিক্ষক বঁটা প্ৰদান কৰা হয়।

শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ ১৫ গৰাকী শিক্ষকক চলিত বৰ্ষৰ ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰদান কৰা হয়।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ বন্দৰ জাহাজ আৰু জলপথ উন্নয়ন মন্ত্ৰালয়ৰ মন্ত্ৰী সৰ্বানন্দ সো োৱালৰ উপস্থিতিত আজি ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এখন বৈঠকত আজি জিলাখনৰ মুঠ ৬টা বিধানসভা সমষ্টিৰ সামগ্ৰিকউন্নয়নৰ দিশসমূহ ৰ বিষয়ে বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয় । বৈঠকখনত জিলাখনৰ উন্নয়নৰ সৈতে জড়িত ৪১টা গুৰুত্বপূৰ্ণ বিভাগৰ বিভিন্ন আঁচনি ৰকামৰ অগ্ৰগতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে বিশেষভাৱে আলোচনা কৰা হয়। জনসাধাৰণৰ প্ৰয়োজনীয়তাক অগ্ৰাধিকাৰ দি উন্নয়নমূলক কাম -কাজ সমূহৰ সঠিক ৰূপায়ণ , চলি থকা প্ৰকল্পসমূহৰ সময়মতে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগসমূহৰ মাজত অধিক সমন্বয় গঢ়ি তোলাত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে বৈঠকত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজিৰে পৰা অহা ৮ ছেপ্তেম্বৰলৈ এলানি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ উদ্যোগত কাইলৈ সন্ধিয়া ছয় বজাত কলকাতাৰ অসম ভৱনত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। একেদৰে পৰহিলৈ বৃহত্তৰ গুৱাহাটী সাংস্কৃতিক সংগঠনৰ সন্মিলিত মঞ্চৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিয়লি **মানুহে মানুহৰ বাবে** শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৮ ছেপ্তেম্বৰত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু শ্ৰীমন্ত শংকৰদেৱ

কলাক্ষেত্ৰ সমাজৰ উদ্যোগত কলাক্ষেত্ৰত মহামিলনৰ তীৰ্থ শীৰ্ষক বিশেষ অনুষ্ঠান অনুষ্ঠিত হ'ব। সেইদিনা পুৱা গুৱাহাটীৰ জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় ক্ষেত্ৰত সুধাকণ্ঠলৈ শ্ৰদ্ধাৰ্ঘ জনোৱাৰ লগতে ড° ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ আধাৰশিলা স্থাপন কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০

ৰাজ্য চৰকাৰৰ মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগে আজি নীতি আয়োগে নিৰ্ধাৰণ কৰা দুখন অভিলাষী জিলা ওদালগুৰি আৰু দৰং জিলাত মহিলা আৰু শিশু বিকাশ বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে। জিলা প্ৰশাসনৰ লগতে মহিলা আৰু শিশু বিকাশ বিভাগৰ বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত মন্ত্ৰীগৰাকী জিলাকেইখনৰ অংগনৱাড়ী কেন্দ্ৰসমূহৰ নিৰ্মাণ কাৰ্য্যৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে, নিৰ্ধাৰিত সময়ৰ ভিতৰত কামসমূহ সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। তেওঁ পোষণ মাহ আৰু অংগনৱাড়ী উৎসৱ যাতে সফলভাৱে উদযাপন কৰিব পৰা যায়, সেই সন্দৰ্ভতো পৰ্যালোচনা চলায়। অংগনৱাড়ী কেন্দ্ৰসমূহৰ জৰিয়তে শিশু আৰু প্ৰসূতি মাতৃৰ কল্যাণমূলক আঁচনিসমূহৰ ৰূপায়ণ অধিক শক্তিশালী কৰিবলৈ মন্ত্ৰীগৰাকী বিভাগীয় বিষয়াসকলক আহ্বান জনায়। ইয়াৰ লগতে বি টি চিলৈ আবণ্টিত পুঁজিৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০০

অসম সাহিত্য সভাৰ গুৰু প্ৰণাম অনুষ্ঠানত আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৪২ গৰাকী শিক্ষকক শিক্ষা প্ৰভাকৰ সন্মান প্ৰদান কৰা হয়। গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ লক্ষ্মীৰাম বৰুৱা সদনত শিক্ষক দিৱস উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত শিক্ষকসকলক সন্মানিত কৰা হয়। অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাৰ অধ্যক্ষতাত অনুষ্ঠিত এই অনুষ্ঠানত কুমাৰ ভাস্কৰ বাৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ দীপক কুমাৰ শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত অসম মহিলা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য মালিনী গোস্বামীকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

০০০০০০০

চি বি আইৰ আদালতে এ বি এমছুৰ সভাপতি লফিকুল ইছলামৰ হত্যাৰ গোচৰত আত্মসমৰ্পণ কৰা তিনিজন অভিযুক্ত ৰূপা ব্ৰহ্ম, ভদ্ৰেশ্বৰ বসুমতাৰী আৰু দিংকুৰ মুছাহাৰীক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাটোৱে এই গোচৰক সংক্ৰান্তত অধিক সোধা-পোছাৰ বাবে এই তিনিওজন অভিযুক্তক ৫ দিনৰ জিম্মাত বিচাৰি আবেদন কৰি যদিও আদালতে এই আবেদন খাৰিজ কৰি তিনিওজনকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে এই হত্যাৰ গোচৰ সংক্ৰান্তত দাখিল কৰা অভিযোগনামাত নাম সন্নিবিষ্ট থকা অভিযুক্তকেইজনে দীৰ্ঘদিন ধৰি পলাতক হৈ থকাৰ পাছত আজি আদালতত আত্মসমৰ্পণ কৰে। ২০১৭ চনৰ পহিলা আগষ্টত সংঘটিত এই হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়া বৰ্তমান চি বি আইৰ আদালতত চলি আছে। মুঠ ৮৭ জন সাক্ষীৰ ভিতৰত ইতিমধ্যে ১৬ জনে সাক্ষ্য প্ৰদান কৰিছে।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ